× × ×

# ছন্দ

**১। ছন্দ কাক বোলে? এটি উদাহৰণ দিয়া।**

**উত্তৰ ঃ** শব্দৰ বিন্যাসৰ প্ৰকাৰৰ ফলত ওপজা সৌন্দৰ্যকে ছন্দ বোলা হয়। অৰ্থাৎ কথনভংগীৰ লয় আৰু তাৰ মাজৰ হ্ৰস্ব-দীৰ্ঘ বিৰাম বা যতিয়ে যি শ্ৰুতিমধুৰ ধ্বনিতৰংগ সৃষ্টি কৰে তাকেই ছন্দ বোলে।

মানুহৰ অন্তৰত উদয় হোৱা ভাব-অনুভূতি আদিক লয়যুক্ত শব্দ বিন্যাসেৰে প্ৰকাশ কৰিব পৰা পদ্ধতিকে ছন্দ বোলে। বিভিন্ন ছন্দসজ্জাত প্ৰকাশিত ভাব-অনুভূতি আদিয়ে শ্ৰোতা নাইবা পাঠকৰ মনত অপূৰ্ব আলোড়নৰ সৃষ্টি কৰিব পাৰে। অন্য কথাত সুসংহত আৰু সুনিয়ন্ত্ৰিত মাধুৰ্যপূৰ্ণ স্পন্দনময় ধ্বনি প্ৰবাহৰ বৈচিত্ৰময় বিন্যাসেই ছন্দ।

উদাহৰণস্বৰূপে— পাছে ত্ৰিনয়ন দিব্য উপবন দেখিলন্ত বিদ্যমান।
ফল-ফুল ভৰি জকমক কৰি আছে যত বৃক্ষমান।

এই পদফাঁকিত উপস্থাপিত শব্দসমূহ একোটা নিৰ্দিষ্ট নিয়মিত বিৰতিৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱা কাৰণে ইয়াৰ ৰচনা লালিত্য আৰু অৰ্থব্যঞ্জনা দুয়োটাই প্ৰকাশিত হৈছে। এনেদৰে ছন্দসজ্জাৰে প্ৰকাশিত হৈ ই পাঠকৰ মনত অপূৰ্ব আনন্দৰ সৃষ্টি কৰিছে।

মূলতঃ ছন্দ মানুহৰ ভাব-অনুভূতি প্ৰকাশৰ এটা উৎকৃষ্ট গুণ বুলি ক'ব পাৰি।